**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৭১ হাজাৰতকৈও অধিক নিযুক্তি পত্ৰ বিতৰণ কৰে। দেশৰ ৪৫খন ঠাইত একেলগে এই নিযুক্তি মেলাৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগত খালী পদসমূহ পূৰণৰ বাবে এই নিযুক্তি মেলাৰ আয়োজন কৰা হয়। ২০২২ চনৰ অক্টোবৰত আৰম্ভ হোৱা ৰোজগাৰ মেলা এতিয়ালৈকে ৫০খন চহৰত ৰাষ্ট্ৰীয় পৰ্যায়ত ১৩বাৰ আয়োজন কৰা হৈছে। বিভিন্ন চৰকাৰী বিভাগ আৰু মন্ত্ৰালয়ৰ খালী পদ পূৰণৰ দিশত পদক্ষেপ হিচাপে এই ৰোজগাৰ মেলাসমূহত লাখ লাখ নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। নতুনকৈ নিযুক্তিপ্ৰাপ্ত সকলে গৃহ পৰিক্ৰমা, উচ্চ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, বিত্তীয় সেৱা আদি বিভাগত যোগদান কৰিব।

অসমতো আজি নিযুক্তি মেলাৰ আয়োজন কৰা হয়। গুৱাহাটীত আয়োজিত এই কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও নৱনিযুক্ত প্ৰাৰ্থীৰ সৈতে মত বিনিময় কৰাৰ উপৰি তেওঁলোকক নিষ্ঠা আৰু একাগ্ৰতাৰে নিজৰ কাম কৰি যাবলৈ আহ্বান জনায়।

oooooo

ডিব্ৰুগড়ৰ অসম সচিবালয়ত আজি অসম মন্ত্ৰীসভাৰ এখন বৈঠক অনুষ্ঠিত হ'ব। তিনিদিনীয়া উজনি অসমৰ ভ্ৰমণসূচীৰে বৰ্তমান ডিব্ৰুগড়ত বাহৰ পাতি থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বৈঠকত অধ্যক্ষতা কৰিব।

আজি সন্ধিয়া চাৰে ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বৈঠকখনত পৰিবহন মন্ত্ৰী যোগেন মহন, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰা, শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকিব। বৰ্তমান গুৱাহাটী আৰু আন জিলা সদৰত থকা মন্ত্ৰীসভাৰ সদস্যসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ ল'ব।

মুখ্যমন্ত্ৰীৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি ডিব্ৰুগড় মানকটা খেলপথাৰত চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত নগদ ধন আৰু সাহায্য বিতৰণ কৰা হৈছে। অনুষ্ঠানত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত দুহেজাৰ ৫৯৩ গৰাকী শিক্ষাৰ্থীক স্কুটী প্ৰদান কৰাৰ লগতে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা এহেজাৰ ২৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধন প্ৰদান কৰা হয়। সেইদৰে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১০ হাজাৰ ২৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কাৰ্যসূচী আৰম্ভ কৰা হয়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ জিলাসমূহত চলি থকা বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰিব।

ooooooo

কামৰূপ জিলা সাহিত্য সভাৰ হৰদত্ত বীৰদত্ত শাখা সাহিত্য সভাৰ উদ্যোগত কালি সাজেই দগাঁও চকস্থিত সাহিত্য ভৱনত সতীৰ্থ সন্মিলন অনুষ্ঠিত হয়। পুৱা শাখা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ ডেকাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলে। সভাৰ প্ৰাক্তন সভাপতি চৈয়দ মচনুৰ হাজৰিকাই শতদল শাখাৰ যোগ্যতা

অৰ্জন কৰা সভাৰ ছকুৰি আজীৱন সভ্যৰ তালিকা আনুষ্ঠানিকভাৱে উন্মোচন কৰে। হৰেশ্বৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত সতীৰ্থ সন্মিলনখন সম্পাদক শশীন্দ্ৰ ডেকাই আঁত ধৰে।

oooooooo

ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ সংগ্ৰহালয় সঞ্চালকালয়ে অহা পহিলা জানুৱাৰীত ছাত্ৰ-ছাত্ৰীৰ মাজত সদৌ অসম ভিত্তিত এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভাৰতীয় সংস্কৃতি, ঐতিহ্য আৰু সংগ্ৰহালয় বিষয়ক স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এই কুইজ প্ৰতিযোগিতাত আয়োজন কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে পহিলা জানুৱাৰীৰ পুৱা ১০ বজাত প্ৰতিযোগিতাৰ স্থান অসম ৰাজ্যিক সংগ্ৰহালয়ত শিক্ষানুষ্ঠানৰ পৰিচয় পত্ৰ সহিতে উপস্থিত হ'বলৈ বিভাগটোৱে অনুৰোধ জনাইছে। এটা দলত সৰ্বোচ্চ দুগৰাকী অংশগ্ৰহণকাৰী থাকিব আৰু প্ৰতিযোগিতাত অংশগ্ৰহণ বিনামূলীয়া হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-৭৮১০০৩ লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

oooooooo

ৰাষ্ট্ৰৰ প্ৰগতিলৈ কৃষকসকলৰ অৱদানৰ সন্মানাৰ্থে আজি ৰাষ্ট্ৰীয় কৃষক দিৱস উদযাপন কৰা হৈছে। দেশৰ পঞ্চমগৰাকী প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিঙৰ স্মৃতিত প্ৰতি বছৰে ২৩ ডিচেম্বৰৰ দিনটো ৰাষ্ট্ৰীয় কৃষক দিৱস ৰূপে উদযাপন কৰা হয়। এই বিশেষ দিনটোত খাদ্য সুৰক্ষা সুনিশ্চিত কৰণ, গ্ৰাম্য অৰ্থব্যৱস্থা সৱলীকৰণ আৰু দেশৰ কৃষি ঐতিহ্য সংৰক্ষণত কৃষকসকলৰ ভূমিকাক স্মৰণ কৰা হয়।

উল্লেখযোগ্য যে কৃষকসকলৰ ভূমিকাক সন্মান যাঁচি তেওঁলোকৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী কৃষক মান-ধন যোজনা অন্যতম। এই আঁচনিসমূহৰ অধীনত আৰ্থিক সুৰক্ষা, বিপদাশংকা হ্ৰাসৰ উপায়ৰ লগতে কৃষকসকললৈ দীৰ্ঘম্যাদী সামাজিক সুৰক্ষা প্ৰদান কৰি আহিছে। দেশত চলিত বৰ্ষত অভিলেখ সংখ্যক ৩৩ কোটি ২২ লাখ টন শস্য উৎপাদন কৰা হৈছে। বিগত বৰ্ষত এই পৰিমাণ ৩২ কোটি ৯৭ লাখ টন আছিল।

oooooooo

সমাপ্ত